জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

তিতম বছৰ, সংখ্যা ১০৪ ● বুধবাৰ ● ৩ পুহ ১৯৪৫ শক RNI No. ASSASS/2006/16737 THE DAINIK JANAMBHUMI Tinsukia Wednesday December 20, 2023 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ

## জাতীয় বিদ্যালয় শিক্ষা ৰ বিশেষ পদক্ষেপ



ডিচেম্বৰ ঃ অসম জাতীয় বিদ্যালয় শিক্ষা ৰ অন্তৰ্গত ৰাজ্যখনৰ বিভিন্ন জিলাত তীয় বিদ্যালয়সমূহত দশম শ্ৰেণীত শিক্ষাৰ্থীসকলক তেওঁলোকৰ ভৱিষ্যৎ বিভিন্ন পথসমূহ ১৩ পিঠিলৈ



কাকপথাৰ ঃ এজন সংবাদদাতা, ১৯ ডিচেম্বৰ ঃ এসময়ৰ অশান্তজৰ্জৰ কাকপথাৰত আলফা (স্বা)ৰ কূটাঘাতৰ আশংকাত পুনৰ সৰৱ হৈ পৰিছে অসম আৰক্ষী আৰু সেনা। অতি স্পৰ্শকাতৰ জিলা তিনিচুকীয়াৰ লগতে জয়সাগৰ আৰু যোৰহাটত কিছুদিন পূৰ্বে সেনা ছাউনীলৈ গ্ৰেনেড বিস্ফোৰণেৰে অসম আৰক্ষীৰ ডি জি পিক ভাবুকি প্ৰদান কৰি প্ৰত্যাহ্বান জনোৱাৰ পাছতেই বিভিন্ন ঠাইৰ সমান্তৰালকৈ কাকপথাৰতো ১৩ পিঠিলৈ

## ড° শশীকান্ত শইকীয়ালৈ চৈয়দ আব্দুল মালিক সোঁৱৰণী বঁটা

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ, ১৯ ডিচেম্বৰ ঃ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি ড° শশীকান্ত শইকীয়াক বৰেণ্য সাহিত্যিক চৈয়দ আব্দুল মালিকৰ নামত 'চৈয়দ আব্দুল মালিক সোঁৱৰণী বঁটা' প্ৰদান কৰা হ'ব। ১৩ পিঠিলৈ

## দৰঙৰ দলগাঁৱত

## কৃষক ৰাইজৰ

প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা খনৰ কাৰ্যকৰী নিৰ্দেশনাত উল্লেখ কৰ্তৃপক্ষই জাননীকৃত শস্যৰ বাবে যোগ্য কৃষকক পি এম এফ বি ৱা

জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

তম বছৰ, সংখ্যা ১০৪ ● বুধবাৰ ● ৩ পুহ ১৯৪৫ শক RNI No. ASSASS/2006/16737 THE DAINIK JANAMBHUMI Tinsukia Wednesday December 20, 2023 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ

আৰক্ষীয়ে নিশ্ছিদ্ৰ তালাচী চলোৱা পৰিলক্ষিত হৈছে। সন্ধিয়া নাকা তালাচীৰ দ্বাৰা আৰক্ষীয়ে প্ৰতিখন দুচকীয়া, চাৰিচকীয়া বাহন তন্ন তন্নকৈ পৰীক্ষা আৰম্ভ কৰিছে। অৰুণাচলৰ দিশৰ পৰা অহা গাড়ী আৰু মটৰচাইকেলসমূহৰ ওপৰত তীক্ষ্ন নজৰ ৰাখি তালাচী চলোৱা দেখা গৈছে। উল্লেখযোগ্য যে চলিত বৰ্ষৰ ২২ নৱেম্বৰত কাকপথাৰ, ডিৰাক কপাহতলিস্থিত সেনা শিবিৰত আলফা(স্বা)ই গ্ৰেনেড নিক্ষেপ কৰি এক আতংকময় পৰিৱেশৰ সৃষ্টি কৰাৰ উপৰি ধাৰাবাহিকভাৱে নিষিদ্ধ ঘোষিত সংগঠনটোৱে জয়সাগৰ আৰু যোৰহাটৰ সেনা শিবিৰৰ সমীপত গ্ৰেনেড বিস্ফোৰণ কৰি ডি জি পি জি পি সিঙক একপ্ৰকাৰৰ প্ৰত্যাহ্বান জনায়। ইয়াৰ পাছতেই ডি জি পিয়ে প্ৰকাশ কৰাৰ দৰে আলফা(স্বা)ৰ ধাৰাবাহিক বিস্ফোৰণৰ বিষয়টো এন আই এ তদন্ত কৰিবৰ বাবে আগবাঢ়ি আহে আৰু তাৰেই অংশস্বৰূপে ১৭ ডিচেম্বৰত ডিৰাক কপাহতলিস্থিত সেনা শিবিৰৰ সমীপৱৰ্তী গ্ৰেনেড বিস্ফোৰণস্থলীত এন আই একৰ দল এটি আহি উপস্থিত হয় আৰু বিষয়টোৰ তদন্ত আৰম্ভ কৰে। আনহাতে, আলফা(স্বা)ই সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা বিবৃতিৰ জৰিয়তে ডি জি পি জি পি সিঙক 'মাত্ৰ সপ্তাহ গুৱাহাটীত মুকলিকৈ ঘূৰি দেখুৱাওক' বুলি জনোৱা প্ৰত্যাহ্বানে বাৰুকৈয়ে লাভ কৰিছে। সমান্তৰালকৈ আলফা(স্বা)ৰ কূটাঘাতৰ প্ৰতি লক্ষ্য ৰাখি অসম আৰক্ষী সৰৱ হৈ পৰা পৰিলক্ষিত হৈছে। সেই অনুসৰিয়েই অসম-অৰুণাচল সীমান্তৱৰ্তী তথা অত্যন্ত স্পৰ্শকাতৰ অঞ্চল হিচাপে চিহ্নিত কাকপথাৰত আৰক্ষীয়ে নাকা তালাচী আৰম্ভ কৰি প্ৰতিখন বাহন পৰীক্ষা-নিৰীক্ষা কৰিছে।

## ড° শশীকান্ত শইকীয়ালৈ...

সাম্প্ৰতিক অসমত সাংস্কৃতিক বিপ্লৱৰ সূচনা কৰা অন্যতম সাংস্কৃতিক অনুষ্ঠান অসম শিল্পী কাননৰ উদ্যোগত ২২ ডিচেম্বৰৰ পৰা ২৪ ডিচেম্বৰলৈ নগাঁও নেহেৰুবালিত অনুষ্ঠিত হ'বলগীয়া অসমৰ সৰ্ববৃহৎ কেন্দ্ৰীয় ৰাস মহোৎসৱ আৰু সাংস্কৃতিক সমাৰোহত অধ্যক্ষগৰাকীক এই বঁটা প্ৰদান কৰা হ'ব। উল্লেখ্য যে, ড° শইকীয়া পযেকীয়া 'জনকল্যাণ বাৰ্তা'ৰ অবৈতনিক মুখ্য সম্পাদক, সদৌ অসম সত্ৰ মহাসভা, ডিব্ৰুগড় জিলাৰ সভাপতি, ইতিহাস সংকলন সমিতি, ডিব্ৰুগড় জিলাৰ সভাপতি, ডিব্ৰুগড় গ্ৰন্থাগাৰিক সন্থাৰ সভাপতি, জাতীয় সাংস্কৃতিক বৰভেটিৰ উপ-সভাপতি, ডিব্ৰুগড় শ্বহীদ কুশল কোঁৱৰ স্মৃতি ৰক্ষা সমিতিৰ কাৰ্যকৰী সভাপতি, ডিব্ৰুগড় চেচ ক্লাব আৰু ডিব্ৰুগড় জিলা উচু সন্থাৰ সভাপতিৰ দায়িত্ব পালন কৰি আছে। কেন্দ্ৰীয় ৰাস মহোৎসৱৰ সভাপতি তিলক চন্দ্ৰ মজুমদাৰ, কাৰ্যকৰী সভাপতি মৌচুমী কাকতি, সাংস্কৃতিক সম্পাদক প্ৰভাত চন্দ্ৰ বৰা, অনুপ কুমাৰ বৰুৱা আৰু সম্পাদক প্ৰধান মৃদুপৱন বৰাই এক পত্ৰযোগে ড° শইকীয়াক এই বঁটা প্ৰদানৰ বিষয়ে জানিবলৈ দিছে।

সংগীত শিল্পী অনুপম শইকীয়া আৰু মৌৰুচি বৰাৰ গীতৰ শৰাই অ উদ্বোধন কৰিব দৰং জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মানস ২১ ডিচেম্বৰত বিশিষ্ট কবি ড° হৃদয়ৰঞ্জন দাসৰ সঞ্চালনাত হ'ব কবি সন্মিলন উদ্বোধন কৰিব কবি, গীতিকাৰ, ঔপন্যাসিক মণি ভট্টাচাৰ্যই। কবি সন্মিলনত বিশ্লেষক হিচাপে উপস্থিত থাকিব বিশিষ্ট লে মণিৰূপা মিশ্ৰই। উক্ত অনুষ্ঠানত ৰাজ্যৰ বহুকেইজন বিশিষ্ট কবিয়ে অংশ কৰিব। বিয়লি ৩ বজাত গ্ৰন্থ উন্মোচন অনুষ্ঠান। ২২ ডিচেম্বৰৰ আ দৰং জিলা সাহিত্য সভাৰ সম্পাদক বসন্ত শইকীয়াৰ সঞ্চালনাত অনু হ'বলগীয়া সাহিত্য সন্মিলন উদ্বোধন কৰিব অসম সাহিত্য সভাৰ উপ-সমিতিৰ আহ্বায়ক অজিৎ প্ৰসাদ শৰ্মাই। ২৪ ডিচেম্বৰৰ পুৱা ১০ ব হ'ব চিত্ৰাংকণ প্ৰতিযোগিতা। ১১ বজাত কুইজ প্ৰতিযোগিতা।

## চিমেন চাপৰিৰ বিদ্যালয়ৰ...

শিক্ষা বিভাগৰ আবণ্টিত ১৬ লাখ টকাৰে নিৰ্মাণ হ'বলগা পুথিভঁৰালৰ আধাৰশিলা স্থাপন কৰা হয়। চমকং হাইস্কুলত ১৬ লাখ টকাৰ পুঁজিৰে নি কৰিবলগীয়া পুথিভঁৰালৰ আধাৰশিলা অনুষ্ঠানৰ ফিতা কাটে